समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation







নৱম শ্ৰেণীৰ পাঠ্যপুথি

ৰাজনীতি আৰু অৰ্থনীতি বিজ্ঞান

ৰাজনীতি বিজ্ঞান

পাঠ - ১

ভাৰতৰ ৰাজনৈতিক দল

অংশ – ৫

বনজিৎ নাথ

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

দীঘল উত্তৰৰ প্ৰশ্ন —

১। সংযুক্ত চৰকাৰ বুলিলে কি বুজা? সংযুক্ত চৰকাৰ কি পৰিস্থিতিত গঠিত হয়?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ যেতিয়া কোনো এটা বিশেষ ৰাজনৈতিক দলে একক সংখ্যা গৰিষ্ঠতা লাভ কৰি চৰকাৰ গঠন কৰিবলৈ অপৰাগ হয় তেতিয়া কেইবাটাও ৰাজনৈতিক দল একগোট হৈ চৰকাৰ গঠন কৰে। এনে চৰকাৰক সংযুক্ত চৰকাৰ বোলে। সংযুক্ত চৰকাৰত যোগ দিয়া দল বিলাকৰ আদর্শ ভিন্ন হ'লেও ক্ষমতা দখলৰ স্বার্থত এনে দল বিলাকে নিজা স্বার্থ আৰু আদর্শ মোকাবিলা কৰি আৰু উমৈহতীয়া লক্ষ্য বান্ধি চৰকাৰ গঠন কৰিবলৈ জোঁট বন্ধনত আৱদ্ধ হয়। এনেদৰে সংযুক্ত চৰকাৰ গঠন হয়।

২। সংযুক্ত অথবা মৰ্চা চৰকাৰৰ দুটা গুণ আৰু দুটা দোষ আলোচনা কৰা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ সংযুক্ত অথবা মৰ্চা চৰকাৰৰ দুটা গুণ তলত উল্লেখ কৰা হ'লঃ

১) পৰিস্থিতি আৰু সময় সাপেক্ষঃ মৰ্চা চৰকাৰ পৰিস্থিতি আৰু সময় সাপেক্ষ। পৰিৱৰ্তিত ৰাজনৈতিক পৰিৱেশ আৰু পৰিস্থিতিত মৰ্চা চৰকাৰ গঠন ভাৰতবৰ্ষৰ দৰে বৃহৎ গণতান্ত্রিক ৰাষ্ট্ৰ এখনত সুস্থিৰতা বজাই ৰখাৰ ক্ষেত্রত অতীৱ প্রয়োজন।

২) জাতীয় ঐক্য সংহতি ৰক্ষাঃ মৰ্চা চৰকাৰে বিভিন্ন ৰাজনৈতিক দলক এখন মজিয়ালৈ অনাৰ ফলত দলবিলাকে নিজা নীতি-আদর্শত কঠোৰভাৱে লাগি নাথাকি বুজাবুজিৰে কাম কৰে। ফলত জাতীয় ঐক্য-সংহতি বৃদ্ধি হয়।

সংযুক্ত অথবা মৰ্চা চৰকাৰৰ দুটা দোষ তলত উল্লেখ কৰা হ'লঃ

১) দুৰ্বল চৰকাৰঃ মৰ্চা চৰকাৰ সাধাৰণতে দুৰ্বল হয়। অংশ গ্ৰহণকাৰী সকলো দলকে সন্তুষ্ট ৰাখিব লগীয়া হোৱাৰ বাবে এই চৰকাৰ কোনো বিষয়তে দৃঢ়তাৰে আগবাঢ়িব নোৱাৰে।

২) দীৰ্ঘম্যাদী আঁচনি গ্ৰহণত জটিলতাঃ মৰ্চা চৰকাৰ স্থায়ীত্বৰ ক্ষেত্ৰত দুৰ্বল হোৱা বাবে দীৰ্ঘম্যাদী আঁচনি গ্ৰহণ কৰি কাৰ্যকৰী কৰাত জটিলতাৰ উদ্ভৱ হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। গণতন্ত্ৰত বিৰোধী ৰাজনৈতিক দলৰ ভূমিকা আলোচনা কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ গণতান্ত্রিক ৰাষ্ট্ৰ এখনত বিৰোধী দলৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। শক্তিশালী বিৰোধী দল অবিহনে এখন গণতান্ত্রিক ৰাষ্ট্ৰই প্ৰকৃত সফলতা লাভ কৰিব নোৱাৰাৰ লগতে জনসাধাৰণৰ স্বাৰ্থ সুৰক্ষিত কৰিব নোৱাৰে।

এখন গণতান্ত্রিক দেশত শাসনত থকা দলটোৰ বিপৰীতে বিৰোধীৰ আসনত থকা বিৰোধী দলৰ ভূমিকা তলত উল্লেখ কৰা হ'লঃ

১) জনসাধাৰণৰ আৰু দেশৰ স্বাৰ্থক সুৰক্ষা দিয়াত আৰু সংবিধানৰ পবিত্রতা ৰক্ষা কৰাত বিৰোধী দলে অতন্দ্র প্রহৰীৰ দৰে কাম কৰিব লাগে।

২) শাসনত থকা দলটোৰে যাতে জাতীয় স্বাৰ্থৰ বিপৰীতে গৈ কোনো কাৰ্য্য কৰিব নোৱাৰে তাৰ প্ৰতি চকু ৰখা।

৩) চৰকাৰৰ আঁচনি আৰু পৰিকল্পনাবিলাক পৰ্য্যবেক্ষণ কৰি প্ৰয়োজন হ'লে চৰকাৰক সংসদৰ মজিয়াত সমালোচনা কৰা।

৪) জনসাধাৰণৰ অভাৱ-অভিযোগ, আশা-আকাংক্ষাক সংসদৰ মজিয়াত দাঙি ধৰা।

৫) প্ৰয়োজন সাপেক্ষে বিকল্প চৰকাৰ গঠনৰ বাবে সাজু থকা।

৬) জনমত গঠন কৰা।

৭) চৰকাৰ আৰু জনসাধাৰণৰ মাজত থকা পার্থক্য দূৰ কৰা।

৮) জনগণক ৰাজনৈতিক শিক্ষা প্রদানেৰে ৰাজনৈতিক সজাগতা বৃদ্ধি কৰা।

৯) জনমতৰ প্রতি চৰকাৰক সজাগ, দায়বদ্ধ আৰু জবাবদিহি কৰা।

১০) চৰকাৰে যাতে স্বেচ্ছাচাৰীভাৱে শাসন চলাব নোৱাৰে সেই ক্ষেত্রত চোকা নজৰ ৰখা।

১১) প্রয়োজন সাপেক্ষে উচিত দিহা পৰামর্শ আৰু গঠনমূলক সমালোচনাৰে চৰকাৰৰ কাম-কাজক গতিশীলতা প্রদান কৰা।

৪। আঞ্চলিক ৰাজনৈতিক দলৰ জন্মৰ মূল কাৰণ কেইটা আলোচনা কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ আঞ্চলিক ৰাজনৈতিক দলৰ জন্মৰ মূল কাৰণ হিচাপে চিনাক্ত কৰিব পৰা বিষয়সমূহ তলত উল্লেখ কৰা হ'লঃ

ক) সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ বৈষম্যমূলক নীতি।

খ) দেশখনৰ বিভিন্ন ভাষিক আৰু ধৰ্মীয় গোষ্ঠীৰ মাজত থকা ভিন্নতা।

গ) সংখ্যালঘুসকলৰ মাজত থকা নিৰাপত্তাহীনতা ভাৱ।

ঘ) কেন্দ্ৰীয় চৰকাৰৰ অধিক কেন্দ্ৰীকৰণৰ প্ৰৱণতা আৰু ৰাজ্যিক সম্পদসমূহৰ ওপৰত অধিক কৰ্তৃত্ব লাভৰ প্ৰচেষ্টা।

ঙ) সকলো ৰাজ্যৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ সমদৃষ্টিৰ অভাৱ।

চ) ৰাষ্ট্ৰীয় দলৰ বা কেন্দ্ৰীয় চৰকাৰৰ ৰাজ্যিক নেতাৰ দুৰ্বলতা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। গণতান্ত্রিক ৰাষ্ট্রত ৰাজনৈতিক দলৰ প্রয়োজনীয়তা সম্পর্কে লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ প্ৰকৃতাৰ্থত ৰাজনৈতিক দলৰ ধাৰণাই গুৰুত্ব লাভ কৰে গণতান্ত্ৰিক ধ্যান-ধাৰণাৰ জন্মৰ লগে লগে। ৰাষ্ট্ৰ পৰিচালনাৰ পুৰণি ৰীতি ৰাজতন্ত্ৰৰ দিনত ৰজা আছিল একচত্ৰী শাসক আৰু তেওঁৰ মুখৰ কথাই আছিল আইন। কিন্তু পৰৱৰ্তী কালত সমগ্ৰ বিশ্বতে ৰাজতন্ত্ৰ ক্ৰমাৎ বিলোপ হ'ল আৰু তাৰ পৰিৱৰ্তে গণতন্ত্ৰৰ ধাৰণাই বিশেষ গুৰুত্ব লাভ কৰিলে। গণতন্ত্ৰৰ জন্মৰ লগে লগেই ৰাজনৈতিক দলেও আত্মপ্ৰকাশ কৰিলে আৰু ই গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ অংগ হৈ পৰিল। বৰ্তমান সময়ত গণতন্ত্ৰ আৰু ৰাজনৈতিক দল দুয়োটাই এটা আনটোৰ পৰিপূৰক।

ৰাজনৈতিক দল অবিহনে যেনেকৈ গণতন্ত্ৰ অচল, ঠিক একেদৰে গণতন্ত্ৰৰ অবিহনে ৰাজনৈতিক দল অৰ্থহীন। ৰাজনৈতিক দল হৈছে শাসক আৰু জনসাধাৰণৰ মাজৰ এক যোগসূত্ৰ। ই সৰ্বসাধাৰণক প্ৰশাসনৰ ওচৰ চপাই নিয়ে।



৬। ৰাজনৈতিক দলৰ বৈশিষ্ট্য আৰু কার্যাৱলী উল্লেখ কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ ৰাজনৈতিক দলৰ বৈশিষ্ট্য হ'লঃ

ক) সংগঠন ।

খ) নীতি-আদর্শ আৰু আঁচনি ।

গ) ক্ষমতা দখলৰ বাবে আকাংক্ষা ।

ঘ) জাতীয় স্বার্থৰ প্রতি সন্মান ।

ৰাজনৈতিক দলৰ কার্যাৱলী তলত উল্লেখ কৰা হ'লঃ

ক) জনগণক ৰাজনৈতিক শিক্ষা প্রদানেৰে শিক্ষিত কৰা ।

খ) জনগণৰ মনত ৰাজনৈতিক সজাগতা বৃদ্ধি কৰা।

গ) জনমত গঠন কৰা ।

ঘ) জনমতক সু-সংগঠিত ৰূপ দিয়া।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৭। সংযুক্ত চৰকাৰৰ ব্যৱস্থাটোৱে বৰ্তমান সময়ত বিশেষ গুৰুত্ব লাভ কৰাৰ কাৰণ কেইটা আলোচনা কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ মৰ্চা অথবা সংযুক্ত চৰকাৰৰ ব্যৱস্থাটোৱে বৰ্তমান সময়ত বিশেষ গুৰুত্ব লাভ কৰাৰ অন্তৰালত থকা কাৰণ কেইটা হৈছেঃ

১) ৰাজনৈতিক দলৰ সংখ্যা বৃদ্ধি ।

২) একক ৰাজনৈতিক দলৰ প্ৰাধান্য হ্ৰাস ।

৩) এটা নিৰ্বাচনত কোটি কোটি টকা খৰচ হোৱাৰ পিছত যদি চৰকাৰ গঠনত জটিলতা আহে তেন্তে পুনৰ নিৰ্বাচন পাতি চৰকাৰী ধনৰ অপব্যয় হ'বলৈ নিদিয়াৰ চেষ্টাত মৰ্চা চৰকাৰ গঠন হয় ।

৪) চৰকাৰত আঞ্চলিক প্ৰতিনিধিত্বৰ বিষয়টোৱেও মৰ্চা চৰকাৰ গঠনত গুৰুত্ব পায়।